1. Three sinusoidal waves with the same angular frequency but with different amplitudes $A$, $\frac{A}{2}$, $\frac{A}{3}$ and phase angles $0$, $\frac{\pi}{2}$ and $\pi$ respectively move along the same direction and superpose with each other. The amplitude of the resultant wave is given by
একে কৌণিক কম্পনাংকবিশিষ্ট তিনিটা ছাইনুছয়ডীয় তৰংগৰ বিস্তাৰ যথাক্ৰমে $A$, $\frac{A}{2}$, $\frac{A}{3}$ আৰু প্ৰাৰম্ভিক দশাকোণ যথাক্ৰমে $0$, $\frac{\pi}{2}$ আৰু $\pi$. তৰংগ তিনিটাই একে দিশত গতি কৰে আৰু অধ্যাৰোপণত অংশ লয়। অধ্যাৰোপণৰ ফলত সৃষ্টি হোৱা তৰংগটোৰ বিস্তাৰৰ মান হৈছে

[A] $\frac{5A}{6}$
[B] $\frac{6A}{5}$
[C] $\frac{A}{2}$
[D] $A$

2. The de Broglie wavelength, $\lambda$, for hydrogen atom electron in the $n$th energy level goes as
হাইড্ৰ'জেন পৰমাণুৰ ইলেক্ট্ৰনৰ $n$তম শক্তিৰ স্তৰত de Broglie তৰংগদৈৰ্ঘ্যৰ মান ($\lambda$) কেনেদৰে পৰিৱৰ্তিত হয়?

[A] $\lambda \propto n^{1/2}$
[B] $\lambda \propto n^{-1/2}$
[C] $\lambda \propto n$
[D] $\lambda \propto n^{-1}$

3. In an experimental observation of the photoelectric effect, the stopping potential was plotted against the incident light frequency as shown in the figure below :
আলোকবৈদ্যুতিক পৰিঘটনাৰ এটা পৰীক্ষণত বোধক বিভৱ আৰু আপতিত পোহৰৰ কম্পনাংকৰ মাজৰ লেখচিত্ৰ তলত দিয়া ছবিৰ দৰে দেখা গ'ল :




If the work function of the metal is given by $\phi_0$, the angle $\alpha$ is given by
যদিহে ব্যৱহৃত ধাতুৰ কাৰ্য ফলন $\phi_0$ হয়, $\alpha$ কোণৰ মান হ'ব

[A] $\alpha = \tan^{-1}\left(\frac{h}{e}\right)$
[B] $\alpha = \tan^{-1}\left(\frac{e}{h}\right)$
[C] $\alpha = \tan^{-1}\left(\frac{\phi_0}{e}\right)$
[D] $\alpha = \tan^{-1}\left(\frac{e}{\phi_0}\right)$

(Here, $h$ and $e$ refer to Planck's constant and charge of electron respectively.)
(ইয়াত $h$ আৰু $e$ যথাক্ৰমে প্লাংকৰ ধ্ৰুৱক আৰু ইলেক্ট্ৰনৰ আধান।)

REDMI NOTE 8
AI DUAL CAMERA

Scanned with CamScanner

4. Consider the nuclei of $^{27}Al$ and $^{64}Cu$. Which of the following statements is correct?
$^{27}Al$ আৰু $^{64}Cu$ নিউক্লিয়াছ দুটাৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি শুদ্ধ?

[A] $^{64}Cu$ nucleus has greater volume but lower density than $^{27}Al$ nucleus.
$^{64}Cu$ নিউক্লিয়াছৰ আয়তন $^{27}Al$ তকৈ বেছি কিন্তু ঘনত্ব $^{27}Al$ তকৈ কম।

[B] $^{64}Cu$ nucleus has greater volume and higher density than $^{27}Al$ nucleus.
$^{64}Cu$ নিউক্লিয়াছৰ আয়তন আৰু ঘনত্ব দুয়োটাই $^{27}Al$ তকৈ বেছি।

[C] $^{64}Cu$ and $^{27}Al$ nuclei have identical volumes and densities.
$^{64}Cu$ আৰু $^{27}Al$ দুয়োটা নিউক্লিয়াছৰে আয়তন আৰু ঘনত্ব একে।

[D] $^{64}Cu$ nucleus has greater volume but identical density with $^{27}Al$ nucleus.
$^{64}Cu$ নিউক্লিয়াছৰ আয়তন $^{27}Al$ তকৈ বেছি কিন্তু দুয়োটা নিউক্লিয়াছৰে ঘনত্ব একে।

5. The half-life $T_{1/2}$ of a radioactive substance is 5 hours. The time after which 6·25% of the substance is left without getting decayed is
এটা তেজস্ক্ৰিয় পদাৰ্থৰ অৰ্ধজীৱনকাল ($T_{1/2}$) 5 ঘণ্টা। কিমান সময়ৰ মূৰত পদাৰ্থবিধৰ 6·25% অক্ষত অৱস্থাত ৰ'বগৈ?

[A] 9·4 hours
9·4 ঘণ্টা

[B] 30 hours
30 ঘণ্টা

[C] 20 hours
20 ঘণ্টা

[D] 15 hours
15 ঘণ্টা

6. The ratio of the binding energies of three nuclei is 1 : 4 : 9. If the ratio of their nuclear radii is 1 : 2 : 3, the nuclei in the decreasing order of the stability can be arranged as
তিনিটা নিউক্লিয়াছৰ বন্ধন শক্তিৰ অনুপাত 1 : 4 : 9. যদি নিউক্লিয়াছ তিনিটাৰ ব্যাসাৰ্ধৰ অনুপাত 1 : 2 : 3 হয়, তেন্তে সুস্থিৰতাৰ হিচাবত বেছিৰ পৰা কমলৈ নিউক্লিয়াছ তিনিটা হ'ব

[A] Nucleus 1, Nucleus 2, Nucleus 3
নিউক্লিয়াছ 1, নিউক্লিয়াছ 2, নিউক্লিয়াছ 3

[B] Nucleus 2, Nucleus 3, Nucleus 1
নিউক্লিয়াছ 2, নিউক্লিয়াছ 3, নিউক্লিয়াছ 1

[C] Nucleus 2, Nucleus 1, Nucleus 3
নিউক্লিয়াছ 2, নিউক্লিয়াছ 1, নিউক্লিয়াছ 3

[D] Nucleus 3, Nucleus 2, Nucleus 1
নিউক্লিয়াছ 3, নিউক্লিয়াছ 2, নিউক্লিয়াছ 1

REDMI NOTE 8
AI QUAD CAMERA



7. Two glasses with identical volumes are filled with water to the half-way mark and are kept side by side. Two solid cubes made of the same metal are now dropped into the two glasses and both of them sink in the water. The first glass is completely filled now. The second glass is still $\frac{7}{16}$th empty. The ratio of the surface areas of the cubes dropped into the first and the second glass is
সমআয়তনৰ দুটা গিলাছ পানীৰে আধালৈকে ভৰ্তি কৰি ওচৰাওচৰিকৈ ৰখা হ'ল। একে ধাতুৰে নিৰ্মিত দুটা গোটা ঘনক গিলাছ দুটাত পেলাই দিয়া হ'ল। ঘনক দুয়োটা গিলাছ দুটাৰ পানীত সম্পূৰ্ণৰূপে বুৰ যায়। এতিয়া প্ৰথম গিলাছটো সম্পূৰ্ণৰূপে ভৰ্তি হৈ পৰে কিন্তু দ্বিতীয় গিলাছটোৰ $\frac{7}{16}$ অংশ খালী হৈয়ে ৰয়। প্ৰথম গিলাছটোত পেলোৱা ঘনকটোৰ পৃষ্ঠকালিৰ দ্বিতীয় গিলাছত পেলোৱা ঘনকৰ পৃষ্ঠকালিৰ সৈতে অনুপাত হ'ব

[A] 16 : 7
[B] 8 : 1
[C] 2 : 1
[D] 4 : 1

8. Two vessels separately contain two ideal gases $A$ and $B$ at the same temperature. The pressure of $A$ is twice that of $B$. Under these conditions, the density of $A$ is found to be one and half times the density of $B$. The ratio of molecular weights of $A$ and $B$ is
দুটা পাত্ৰত সুকীয়াকৈ একে উষ্ণতাত দুবিধ আদৰ্শ গেছ $A$ আৰু $B$ক ৰখা হৈছে। $A$-ৰ চাপৰ মান $B$-ৰ চাপৰ মানৰ দুগুণ। যদি উপৰোক্ত অৱস্থাসাপেক্ষে, $A$ৰ ঘনত্ব $B$ৰ ঘনত্বৰ $1\frac{1}{2}$ গুণ হয়, তেন্তে $A$ আৰু $B$-ৰ আণৱিক ভৰৰ অনুপাত হ'ব

[A] $\frac{1}{2}$
[B] $\frac{2}{3}$
[C] $\frac{3}{4}$
[D] 2

9. A given quantity of gas is taken from the state $A$ to the state $C$ reversibly by two paths, $A \to C$ directly and $A \to B \to C$ as shown in the figure below :
এক নিৰ্দিষ্ট পৰিমাণৰ গেছ অৱস্থা $A$-ৰ পৰা অৱস্থা $C$লৈ পৰাৱৰ্তনীয়ভাৱে দুটা পথ, $A \to C$ আৰু $A \to B \to C$ৰে তলৰ ছবিত দেখুওৱা ধৰণে লৈ যোৱা হ'ল :




During the process $A \to C$, work done by the gas is 100 J and heat absorbed is 120 J. If during the process $A \to B \to C$, the work done by the gas is 80 J, the heat absorbed is
$A \to C$, পথেৰে যাওঁতে গেছবিধে কৰা কাৰ্যৰ পৰিমাণ 100 J আৰু শোষণ কৰা তাপৰ মান 120 J. $A \to B \to C$ প্ৰক্ৰিয়াত গেছে কৰা কাৰ্যৰ পৰিমাণ 80 J হয়, শোষিত তাপৰ মান হ'ব

[A] 60 J
[B] 100 J
[C] 140 J
[D] 300 J



Scanned with CamScanner

**10.** A total charge $Q$ is uniformly distributed over a long rod $AB$ of length $L$ as shown in the figure below. The electric potential at the point $O$ lying at a distance $\frac{L}{2}$ from the end $A$ is

$Q$ পৰিমাণৰ মুঠ আধান $L$ দৈৰ্ঘ্যৰ এডাল দীঘল দণ্ড $AB$ত ছবিত দেখুওৱা ধৰণে সুষমভাৱে বিতৰিত হৈ আছে। $A$ মূৰৰ পৰা $\frac{L}{2}$ দূৰত্বত থকা $O$ বিন্দুত বৈদ্যুতিক বিভৱৰ মান হ'ব




[A] $\frac{Q}{2\pi\varepsilon_0 L}$

[B] $\frac{2Q}{\pi\varepsilon_0 L}$

[C] $\frac{Q}{4\pi\varepsilon_0 L\ln 3}$

[D] $\frac{Q\ln 3}{4\pi\varepsilon_0 L}$

**11.** A simple pendulum suspended from the ceiling of a stationary lift has time period $T_0$. When the lift descends at uniform speed, the time period is $T_1$. When the lift descends with constant acceleration, the time period is $T_2$. Which of the following is correct?

এখন ৰৈ থকা লিফ্‌টৰ চিলিঙত ওলোমাই ৰখা এটা সৰল দোলকৰ দোলনকাল $T_0$. যেতিয়া লিফ্‌টখন তললৈ সুষম দ্ৰুতিৰে গতি কৰে, এই দোলনকাল $T_1$ আৰু যেতিয়া লিফ্‌টখন সুষম ত্বৰণেৰে তললৈ গতি কৰে তেতিয়া দোলনকাল $T_2$. তলৰ কোনটো শুদ্ধ?

[A] $T_0 < T_1 < T_2$

[B] $T_0 > T_1 > T_2$

[C] $T_0 = T_1 < T_2$

[D] $T_0 = T_1 > T_2$

**12.** A particle of mass $M$ and charge $q$ is moving in a circle of radius $R$ with speed $v$, where $v <<$ speed of light. The ratio of magnetic moment of the particle to its angular momentum is

$M$ ভৰৰ $q$ আধানযুক্ত এটা কণিকাই $R$ ব্যাসাৰ্ধৰ এটা বৃত্তত $v$ দ্ৰুতিৰে ঘূৰি আছে। $v$ ৰ মান পোহৰৰ বেগতকৈ বহুত কম। কণিকাটোৰ চুম্বকীয় ভ্ৰামক আৰু কৌণিক ভৰবেগৰ অনুপাত হ'ব

[A] $\frac{q}{2M}$

[B] $\frac{M}{2q}$

[C] $\frac{q}{M}$

[D] $\frac{q}{4M}$

**13.** Two thin convex lenses $L_1$ and $L_2$ with focal lengths 1 cm and 2 cm respectively are separated by a distance of 4 cm along their axis. An object is placed at a distance of 1·5 cm before the first lens. The ratio of the final image size to the object size is

1 cm আৰু 2 cm ফ'কাছ দৈৰ্ঘ্যৰ দুখন ক্ষীণ উত্তল লেনছ্ ক্ৰমে $L_1$ আৰু $L_2$ সিহঁতৰ অক্ষৰ দিশত 4 cm ব্যৱধানত ৰখা হৈছে। প্ৰথম লেনছ্‌খনৰ 1·5 cm সন্মুখত এটা বস্তু থোৱা হ'ল। বস্তুটোৰ অন্তিমটো প্ৰতিবিম্বৰ আৰু বস্তুটোৰ প্ৰকৃত আকাৰৰ অনুপাত হ'ব

[A] 1

[B] 2

[C] 3

[D] 4

REDMI NOTE 8
AI QUAD CAMERA



**14.** The position of a particle as a function of time is given by $\vec{r}(t) = A\cos\omega t\,\hat{i} + B\sin\omega t\,\hat{j}$, where $A$ and $B$ are two real positive constants with $A > B$. The orbit of the particle looks like

সময়ৰ ফলনৰ ৰূপত এটা কণাৰ অৱস্থানক এনেদৰে প্ৰকাশ কৰিব পাৰি : $\vec{r}(t) = A\cos\omega t\,\hat{i} + B\sin\omega t\,\hat{j}$, য'ত $A$ আৰু $B$ দুটা ধনাত্মক বাস্তৱ ধ্ৰুৱক আৰু $A > B$. কণাটোৰ কক্ষপথক দেখুৱাব পৰা চিত্ৰটোৰ ধৰণ হ'ব

[A]




[B]




[C]




[D]




**15.** A metallic spherical ball of mass $M$ is dropped into a liquid and after some time it reaches a terminal velocity of $v$. If another spherical ball of mass $8M$ made of the same metal is dropped into the same liquid, then its terminal velocity will be (assume the spheres to be uniformly dense)

$M$ ভৰৰ ধাতুৰে গঠিত এটা গোলাকাৰ বল এবিধ জুলীয়া পদাৰ্থত এৰি দিলে কিছুসময়ৰ পাছত ই $v$ প্ৰান্তীয় বেগ আহৰণ কৰে। যদি $8M$ ভৰৰ একে ধাতুৰে গঠিত আন এটা গোলাকাৰ বল একেবিধ জুলীয়া পদাৰ্থত এৰি দিয়া হয়, তেন্তে ইয়াৰ প্ৰান্তীয় বেগ হ'ব

[A] $8v$

[B] $\frac{v}{8}$

[C] $2v$

[D] $4v$

**16.** Consider a star of one solar mass. If only light can escape from the surface of the star, then the ratio of the radius of the star to that of the sun is (consider the star to be spherical and uniformly dense. Escape velocity on the surface of the sun is approximately 600 km/s, speed of light $= 3\times10^8$ m/s.)

নক্ষত্ৰটোৰ পৃষ্ঠভাগৰ পৰা কেৱল পোহৰহে আঁতৰি আহিব পাৰে। নক্ষত্ৰটোৰ ধৰা হ'ল এক সৌৰ ভৰৰ এটা নক্ষত্ৰৰ ব্যাসাৰ্ধৰ লগত সূৰ্যৰ ব্যাসাৰ্ধৰ অনুপাত হ'ব (নক্ষত্ৰটো গোলাকাৰ আৰু সুষমভাৱে ঘন। সূৰ্যৰ পৃষ্ঠভাগত পলায়ন বেগ প্ৰায় 600 km/s, পোহৰৰ দ্ৰুতি $= 3\times10^8$ m/s)

[A] $4\times10^{-6}$

[B] $10^{-4}$

[C] $4\times10^{2}$

[D] 100

[P.T.O.



Scanned with CamScanner

**17.** The ratio of maximum to minimum resistance that can be obtained with $N$ number of 1 Ω resistors is

$N$টা 1 Ωৰ ৰোধকেৰে পাব পৰা সৰ্বাধিক আৰু সৰ্বনিম্ন ৰোধৰ অনুপাত হ'ল

[A] $N$

[B] $N^2$

[C] 1

[D] ∞

**18.** A sphere has a constant electric potential $V$ on its surface. If there are no charges inside the sphere, the potential at the centre of the sphere is

এটা গোলকৰ পৃষ্ঠভাগত বৈদ্যুতিক বিভৱৰ মান $V$, য'ত $V$ এটা ধ্ৰুৱক। যদি গোলকটোৰ ভিতৰত কোনো আধান নাই, গোলকটোৰ কেন্দ্ৰত বিভৱৰ মান হ'ব

[A] $V$

[B] $\frac{V}{8}$

[C] 0

[D] $\frac{V}{6}$

**19.** One end of a nichrome wire of length $2L$ and cross-sectional area $A$ is attached to an end of another nichrome wire of length $L$ and cross-sectional area $2A$. If the free end of the longer wire is at an electric potential of 8·0 volts and the free end of the shorter wire is at an electric potential of 1·0 volt, the potential at the junction of the two wires is approximately

$2L$ দৈৰ্ঘ্যৰ, $A$ প্ৰস্থচ্ছেদৰ এডাল Nichrome তাঁৰৰ এটা মূৰ $L$ দৈৰ্ঘ্যৰ, $2A$ প্ৰস্থচ্ছেদৰ আন এডাল Nichrome তাঁৰৰ লগত সংযোগ কৰা হ'ল। যদি দীঘল তাঁৰডালৰ উন্মুক্ত মূৰটো 8·0 voltৰ বৈদ্যুতিক বিভৱ আৰু চুটি তাঁৰডালৰ উন্মুক্ত মূৰটো 1·0 voltৰ বৈদ্যুতিক বিভৱত ৰখা হয়, দুয়োডাল তাঁৰৰ সন্ধিবিন্দুত বৈদ্যুতিক বিভৱ হ'ব

[A] 2·4 V

[B] 3·3 V

[C] 4·5 V

[D] 6 V

**20.** The focal length in air of a thin lens made of glass of refractive index 1·5 is $l$. When immersed in water (refractive index = 4/3), its focal length becomes

প্ৰতিসৰণাংক 1·5ৰ কাঁচেৰে নিৰ্মিত এখন ক্ষীণ লেনছৰ বায়ুত ফ'কাছ দৈৰ্ঘ্য $l$. যদি লেনছখন পানীত (প্ৰতিসৰণাংক = 4/3) ডুবাই ৰখা হয়, ফ'কাছ দৈৰ্ঘ্য হ'ব

[A] $\frac{l}{4}$

[B] $\frac{3l}{4}$

[C] $4l$

[D] $\frac{4l}{3}$

REDMI NOTE 8
AI QUAD CAMERA



**21.** An ideal gas is expanding such that $PT$ = constant. The coefficient of volume expansion of the gas is

এবিধ আদৰ্শ গেছে এনেদৰে প্ৰসাৰিত হয় যাতে $PT$ = ধ্ৰুৱক। গেছবিধৰ আয়তন প্ৰসাৰণ গুণাংক হ'ল

[A] $\frac{2}{T}$

[B] $\frac{3}{T}$

[C] $\frac{1}{T}$

[D] $T$

**22.** Two infinitely long parallel wires carry the same current in opposite directions. If both these currents are doubled and the separation between the wires is also doubled, the force per unit length on each wire

দুডাল অসীম দৈৰ্ঘ্যৰ সমান্তৰাল তাঁৰে সমপৰিমাণৰ বিদ্যুত বিপৰীত দিশত প্ৰবাহ কৰে। যদি তাঁৰ দুডালৰ বিদ্যুতপ্ৰবাহ আৰু মাজৰ ব্যৱধান দুগুণ কৰি দিয়া হয়, দুইডাল তাঁৰৰ ওপৰত প্ৰতি একক দৈৰ্ঘ্যৰ বাবে প্ৰয়োগ হোৱা বল

[A] gets doubled
দুগুণ হ'ব

[B] remains the same
একে হ'ব

[C] becomes half
আধা হ'ব

[D] None of these
ইহঁতৰ এটাও নহয়

**23.** The percentage errors of the measurements of two physical quantities A and B are given by $U_A$ and $U_B$ ($U_A > U_B$). If the percentage errors of the measurements of $A^2$, $B^2$, $AB$ are denoted by $U_{A^2}$, $U_{B^2}$, $U_{AB}$ respectively, then

দুটা ভৌতিক ৰাশি $A$ আৰু $B$ৰ জোখমাখৰ শতকৰা ভুলৰ মান $U_A$ আৰু $U_B$ ($U_A > U_B$). যদি $A^2$, $B^2$, $AB$-ৰ জোখমাখৰ শতকৰা ভুলৰ মান ক্ৰমে $U_{A^2}$, $U_{B^2}$ আৰু $U_{AB}$ বুলি ধৰা হয়, তেন্তে

[A] $U_{AB} > U_{A^2} > U_{B^2}$

[B] $U_{A^2} > U_{AB} > U_{B^2}$

[C] $U_{B^2} > U_{AB} > U_{A^2}$

[D] $U_{A^2} = U_{AB} = U_{B^2}$

**24.** The equation of motion of a body is $\frac{dv(t)}{dt} = 9 - 3v(t)$, where $v(t)$ is the speed (in m/s) at time $t$ (in second). If the body was at rest at $t = 0$, then which of the following is correct?

কোনো বস্তু এটাৰ গতিৰ সমীকৰণ হ'ল $\frac{dv(t)}{dt} = 9 - 3v(t)$, য'ত $v(t)$ হৈছে বস্তুটোৰ $t$ (second) সময়ত দ্ৰুতি (m/s). যদি বস্তুটো $t = 0$ সময়ত স্থিৰ অৱস্থাত আছিল, তেন্তে তলৰ কোনটো শুদ্ধ?

[A] The terminal speed is 3 m/s
প্ৰান্তীয় দ্ৰুতিৰ মান হ'ব 3 m/s

[B] Initial acceleration is 9 m/s²
প্ৰাৰম্ভিক ত্বৰণৰ মান হ'ব 9 m/s²

[C] $v(t) = 3(1 - e^{-3t})$

[D] All of these are correct
ইহঁতৰ আটাইকেইটা শুদ্ধ

**25.** The angle between two vectors $x$ and $y$ is $\theta$. If the resultant vector $z$ makes an angle $\theta/2$ with $x$, then which of the following is true?

দুটা ভেক্টৰ $x$ আৰু $y$ৰ মাজৰ কোণ হৈছে $\theta$. যদি লব্ধ ভেক্টৰ $z$এ $x$ৰ সৈতে $\theta/2$ কোণ কৰে, তেন্তে তলৰ কোনটো শুদ্ধ ?

[A] $x = 2y$ [B] $x = y$

[C] $x = 2y + 1$ [D] $x = \frac{y}{2}$

**26.** The initial velocity of a projectile is $(2\hat{i} + 4\hat{j})$ m/s, where $\hat{i}$ and $\hat{j}$ are along horizontal and vertical directions respectively. For $g = 10\ \text{m/s}^2$, the equation of the trajectory will be

প্ৰক্ষেপ্য এটাৰ প্ৰাৰম্ভিক বেগ হৈছে $(2\hat{i} + 4\hat{j})$ m/s, য'ত $\hat{i}$ আৰু $\hat{j}$ ক্ৰমে অনুভূমিক আৰু উলম্ব দিশত আছে। $g = 10\ \text{m/s}^2$ৰ বাবে প্ৰক্ষেপ্যটোৰ গতিৰ সমীকৰণ হ'ব

[A] $y = 2x - 5x^2$ [B] $y = 2x - 2\cdot5x^2$

[C] $x = \frac{1}{2}\sqrt{y - 2x}$ [D] $x = \frac{1}{2}\sqrt{2y - 5x}$

**27.** A shell of mass $M$ is fired with a speed $u$ at an angle $\theta$ with the horizontal such that it explodes into two equal fragments at the highest point of its trajectory. If one fragment falls vertically, the distance at which the other fragment falls from the point of projection will be

$M$ ভৰৰ বোমা এটা অনুভূমিকৰ সৈতে $\theta$ কোণ কৰি $u$ বেগেৰে এনেদৰে প্ৰক্ষেপণ কৰা হ'ল যে প্ৰক্ষেপণৰ সৰ্বোচ্চ উচ্চতাত ই সমান সমান দুটা খণ্ডত বিস্ফোৰিত হয়। যদি এটা খণ্ড বিস্ফোৰণৰ পাছত উলম্বভাৱে তললৈ নামি আহে, তেন্তে আনটো খণ্ডৰ প্ৰক্ষেপণ বিন্দুৰ পৰা পৰি যোৱাৰ দূৰত্ব হ'ব

[A] $\frac{u^2 \sin 2\theta}{g}$ [B] $\frac{2u^2 \sin 2\theta}{g}$

[C] $\frac{3u^2 \sin 2\theta}{g}$ [D] $\frac{4u^2 \sin 2\theta}{g}$

**28.** A mobile phone of mass 100 g falls from the hand of a person through the window of a train. The train is accelerating at $1\ \text{m/s}^2$ and just 20 seconds have passed since it has left the station from standstill. If the window is 2 m above the ground, with what kinetic energy the phone will hit the ground ($g = 10\ \text{m/s}^2$)?

এটা 100 g ভৰৰ ম'বাইল ফ'ন এজন ব্যক্তিৰ হাতৰ পৰা চলন্ত ট্ৰেইনৰ খিৰিকীৰে বাহিৰলৈ সৰি পৰিল। ট্ৰেইনখন $1\ \text{m/s}^2$ ত্বৰণেৰে গতি কৰিছে আৰু ই ষ্টেচনৰ স্থিৰ অৱস্থাৰ পৰা যাত্ৰা কৰা মাত্ৰ 20 seconds হৈছে। যদি খিৰিকীখনৰ মাটিৰ পৰা উচ্চতা 2 m হয়, তেন্তে কিমান গতি শক্তিৰে ই মাটিত খুন্দা মাৰিব ($g = 10\ \text{m/s}^2$) ?

[A] 11 J [B] 22 J

[C] 33 J [D] 44 J

REDMI NOTE 8
AI QUAD CAMERA



**29.** A box of mass 10 kg is placed near the rear end of a long flat trolley such that it is 2 m from the rear end of the trolley. The coefficient of friction between the box and the trolley surface is 0·2. Starting from rest, the trolley is given a uniform acceleration of $3\ \text{m/s}^2$. How much distance the trolley will cover by the time the box fall off from the trolley ($g = 10\ \text{m/s}^2$)?

এখন দীঘল সমতল ট্ৰলীৰ ওপৰত 10 kg ভৰৰ বাকচ এটা এনেদৰে ৰখা হৈছে যাতে ই ট্ৰলীৰ শেষৰ মূৰটোৰ পৰা 2 m দূৰত্বত থাকে। ট্ৰলীৰ পৃষ্ঠ আৰু বাকচৰ মাজৰ ঘৰ্ষণ গুণাংক হৈছে 0·2. স্থিৰ অৱস্থাত থকাৰ সময়ত ইয়াৰ ওপৰত সুষম ত্বৰণ $3\ \text{m/s}^2$ প্ৰয়োগ কৰা হৈছে। ট্ৰলীৰ পৰা বাকচটো পৰি যোৱালৈকে ট্ৰলীখনে কিমান দূৰত্ব অতিক্ৰম কৰিব ($g = 10\ \text{m/s}^2$) ?

[A] 2 m [B] 4 m

[C] 6 m [D] 8 m

**30.** A car is moving in a circular path of radius 450 m with a speed of 30 m/s. If the speed of the car is increased at a rate of $2\ \text{m/s}^2$, the resultant acceleration will be

গাড়ী এখনে 450 m ব্যাসাৰ্ধৰ বৃত্তাকাৰ পথ এছোৱাৰে 30 m/s দ্ৰুতিৰে গতি কৰিছে। যদি গাড়ীখনৰ দ্ৰুতি $2\ \text{m/s}^2$ হাৰত বৃদ্ধি পায়, তেন্তে লব্ধ ত্বৰণৰ মান হ'ব

[A] $1\cdot5\ \text{m/s}^2$ [B] $2\ \text{m/s}^2$

[C] $2\cdot8\ \text{m/s}^2$ [D] $3\cdot5\ \text{m/s}^2$

**31.** The motion of a body of mass 0·5 kg due to the application of a force is given as $x = 3t^2 + 4t + 5$, where $x$ is in metre and $t$ is in second. What is the work done by the force in the first 2 seconds?

0·5 kg ভৰৰ বস্তু এটাৰ ওপৰত বল প্ৰয়োগ কৰাত ইয়াৰ গতিৰ সমীকৰণ হ'ল $x = 3t^2 + 4t + 5$, য'ত $x$ মিটাৰত আৰু $t$ক ছেকেণ্ডত প্ৰকাশ কৰা হৈছে। প্ৰথম 2 ছেকেণ্ডত বল প্ৰয়োগৰ ফলত সম্পাদিত কাৰ্যৰ পৰিমাণ কিমান হ'ব ?

[A] 15 J [B] 35 J

[C] 55 J [D] 75 J

**32.** The rope of a kite is wound around a hollow cylinder of mass 200 g and radius 5 cm. If the kite experiences a pull of $F = 1$ N, what will be the linear acceleration of the rope?

এখন চিলাৰ ৰছীডালৰ আনটো মূৰ 5 cm ব্যাসাৰ্ধ আৰু 200 g ভৰৰ এটা ফোঁপোলা চুঙাৰ ওপৰত মেৰিয়াই ৰখা হৈছে। যদি চিলাখনে $F = 1$ N বলৰ টান অনুভৱ কৰে, তেন্তে ৰছীডালত সৃষ্টি হোৱা ৰৈখিক ত্বৰণৰ মান কিমান হ'ব ?

[A] $5\ \text{m/s}^2$ [B] $10\ \text{m/s}^2$

[C] $15\ \text{m/s}^2$ [D] None of these / ইহঁতৰ এটাও নহয়



Scanned with CamScanner

33. The velocity of a solid sphere on reaching the bottom of an inclined plane is $v$ when it rolls down and $v'$ when it slides down. The value of $v/v'$ will be
এখন হেলনীয়া তলৰ, তল পোৱাৰ সময়ত গোটা গোলক এটাৰ বেগ $v$ হয়, যেতিয়া ই ঘূৰ্ণন গতিৰে নামি আহে আৰু বেগ $v'$ হয় যেতিয়া ই কেৱল পিছলি আহে। $v/v'$ৰ মান হ'ব

[A] $\sqrt{\frac{5}{7}}$

[B] $\sqrt{\frac{7}{5}}$

[C] $\sqrt{\frac{3}{5}}$

[D] $\sqrt{\frac{5}{3}}$

34. A rocket is launched vertically from the surface of the earth with an initial velocity equal to one-third of the escape velocity. If we ignore the atmospheric resistance, then what will be the maximum height attained by the rocket?
এটা ৰকেট ভূ-পৃষ্ঠৰ পৰা উলম্ব দিশত এনেদৰে নিক্ষেপ কৰা হৈছে যে প্ৰক্ষেপণৰ সময়ত ইয়াৰ বেগ পলায়ন বেগৰ এক-তৃতীয়াংশ হয়। যদি বায়ুমণ্ডলৰ বোধ অৱজ্ঞা কৰা হয়, তেন্তে ৰকেটটোৱে সৰ্বোচ্চ কিমান উচ্চতালৈ উৰ্ধ্বগমন কৰিব?

[A] 432 km

[B] 660 km

[C] 796 km

[D] 834 km

35. A rocket is fired from the earth to the moon. The distance between the earth and the moon is $r$ and the mass of the earth is 81 times the mass of the moon. The gravitational force on the rocket will be zero when its distance from the moon is
ভূ-পৃষ্ঠৰ পৰা চন্দ্ৰলৈ এটা ৰকেট নিক্ষেপ কৰা হৈছে। পৃথিৱী আৰু চন্দ্ৰৰ মাজৰ দূৰত্ব হৈছে $r$ আৰু পৃথিৱীৰ ভৰ চন্দ্ৰৰ ভৰৰ 81 গুণ। ৰকেটটোৰ ওপৰত মহাকৰ্ষণিক বল শূন্য হোৱাৰ সময়ত চন্দ্ৰৰ পৰা দূৰত্ব হ'ব

[A] $\frac{r}{8}$

[B] $\frac{r}{10}$

[C] $\frac{r}{12}$

[D] None of these
ইহঁতৰ এটাও নহয়

36. A vessel contains oil (density $0{\cdot}8\ g/cm^3$) over mercury (density $13{\cdot}6\ g/cm^3$). A homogeneous sphere floats with half volume immersed in mercury and the other half in oil. What will be the density (in $g/cm^3$) of the material of the sphere?
এটা পাত্ৰত পাৰাৰ (ঘনত্ব $13{\cdot}6\ g/cm^3$) ওপৰত তেল (ঘনত্ব $0{\cdot}8\ g/cm^3$) বিয়পি আছে। এটা সুষম ধাতুৰ বল মিশ্ৰণটোত এনেদৰে উপঙি আছে যাতে বলটোৰ আধা আয়তন পাৰাৰ মাজত আৰু আধা আয়তন তেলৰ ভিতৰত সোমাই আছে। বলটোৰ ঘনত্ব ($g/cm^3$) কিমান হ'ব?

[A] 7·2

[B] 8·6

[C] 10·4

[D] None of these
ইহঁতৰ এটাও নহয়

REDMI NOTE 8
AI QUAD CAMERA



37. Three rods of same length are arranged to form an equilateral triangle. Two rods are made of the same material of coefficient of linear expansion $\alpha_1$ and the third rod which forms the base of the triangle has coefficient of expansion $\alpha_2$. The height of the triangle will remain the same at all temperatures if $\alpha_1/\alpha_2$ is nearly
তিনিডাল সমদৈৰ্ঘ্যৰ দণ্ড সংযোগ কৰি এটা সমবাহু ত্ৰিভুজ গঠন কৰা হৈছে। ইয়াৰে দুডাল দণ্ড একেবিধ পদাৰ্থৰে গঠিত আৰু সিহঁতৰ ৰৈখিক প্ৰসাৰণ গুণাংক হৈছে $\alpha_1$ আনহাতে তৃতীয়ডাল দণ্ড যি ত্ৰিভুজটোৰ ভূমি গঠন কৰিছে তাৰ ৰৈখিক প্ৰসাৰণ গুণাংক হৈছে $\alpha_2$. যদি সকলো উষ্ণতাতে ত্ৰিভুজটোৰ উচ্চতা সমানে থাকিব লাগে, তেন্তে $\alpha_1/\alpha_2$ৰ মান হ'ব প্ৰায়

[A] 1

[B] $\frac{1}{2}$

[C] $\frac{1}{4}$

[D] 2

38. A cylinder of volume $V$ contains a mixture of 8 g of oxygen, 14 g of nitrogen and 22 g of carbon dioxide at absolute temperature $T$. The pressure of the gas mixture will be ($R$ is universal gas constant)
এটা $V$ আয়তনৰ চুঙাৰ ভিতৰত 8 g অক্সিজেন, 14 g নাইট্ৰ'জেন আৰু 22 g কাৰ্বন ডাইঅক্সাইড গেছ $T$ পৰম উষ্ণতাত সোমাই আছে। গেছ মিশ্ৰণটোৰ চাপৰ পৰিমাণ হ'ব ($R$ হৈছে, বিশ্বজনীন গেছ ধ্ৰুৱক)

[A] $\frac{2RT}{3V}$

[B] $\frac{3RT}{2V}$

[C] $\frac{5RT}{4V}$

[D] $\frac{7RT}{5V}$

39. A warship is fitted with SONAR operating at a frequency of 42 kHz. A submarine is approaching towards the ship with a speed of 72 km/hr. If the speed of sound is 1400 m/s, what will be the frequency of the received sound after being reflected from the submarine?
এখন যুদ্ধজাহাজত 42 kHz তৰংগবিশিষ্ট SONAR যন্ত্ৰ সংযোগ কৰি ৰখা হৈছে। এখন ছাবমেৰিন 72 km/hr বেগেৰে জাহাজখনৰ ফাললৈ আহি আছে। যদি শব্দ তৰংগৰ বেগ 1400 m/s হয় তেন্তে ছাবমেৰিনত খুন্দা খাই ঘূৰি অহাৰ পাছত জাহাজখনে সংগ্ৰহ কৰা শব্দ তৰংগৰ কম্পনাংক কিমান হ'ব?

[A] 40·6 kHz

[B] 42 kHz

[C] 43·2 kHz

[D] 44·3 kHz



Scanned with CamScanner

**40.** The following figure shows two point charges $+q$ and $-q$ and a metal rod of length $L$ carrying a charge $-q$ with a part $L/3$ of its length inside a cubical box. The electric flux linked with the top surface will be

তলৰ চিত্ৰত দুটা বিন্দুসম আধান $+q$ আৰু $-q$ আৰু $L$ দৈৰ্ঘ্যৰ $-q$ আধানবিশিষ্ট এডাল ধাতুৰ দণ্ডৰ $L/3$ অংশ এটা ঘনকীয় বাকচৰ ভিতৰত সোমাই থকা দেখুওৱা হৈছে। বাকচটোৰ ওপৰৰ ফালৰ পৃষ্ঠখনৰ সৈতে জড়িত বৈদ্যুতিক ফ্লাক্স হ'ব




[A] $\frac{2}{3}\frac{q}{\varepsilon_0}$

[B] $\frac{1}{9}\frac{q}{\varepsilon_0}$

[C] 0

[D] $\frac{5}{18}\frac{q}{\varepsilon_0}$

**41.** Two equal point charges of $1\,\mu C$ each are located at points $(\hat{i}+\hat{j}+\hat{k})$ m and $(2\hat{i}+3\hat{j}-\hat{k})$ m. What is the magnitude of electrostatic force between them?

দুটা 1 $\mu C$ বিশিষ্ট বিন্দুসম আধান $(\hat{i}+\hat{j}+\hat{k})$ m আৰু $(2\hat{i}+3\hat{j}-\hat{k})$ m স্থানত অৱস্থান কৰি আছে। সিহঁত দুটাৰ মাজৰ বৈদ্যুতিক স্থিতি বলৰ মান কিমান হ'ব?

[A] $10^{-3}$ N

[B] $1\cdot5\times10^{-3}$ N

[C] $10^{-6}$ N

[D] $1\cdot5\times10^{-6}$ N

**42.** Three infinite long plane sheets of uniform charge densities $\sigma_1=-5\sigma$, $\sigma_2=+2\sigma$ and $\sigma_3=3\sigma$ are placed parallel to each other as shown in the figure below. The electric field at point $P$ will be

তিনিখন অসীমলৈ ব্যাপ্ত থকা সুষম আধান ঘনত্ববিশিষ্ট পাত য'ত $\sigma_1=-5\sigma$, $\sigma_2=+2\sigma$ আৰু $\sigma_3=3\sigma$ চিত্ৰত দেখুৱা ধৰণে সজাই ৰখা হৈছে। $P$ বিন্দুত বিদ্যুত ক্ষেত্ৰৰ মান হ'ব




[A] zero (শূন্য)

[B] $-\frac{3\sigma}{\varepsilon_0}\hat{j}$

[C] $-\frac{5\sigma}{[illegible]}\hat{j}$

[D] $-\frac{7\sigma}{2\varepsilon_0}\hat{j}$

REDMI NOTE 8
AI QUAD CAMERA



**43.** An electric cable having a resistance of $R$ delivers 11 kW of power at 220 V to a factory. If the efficiency of transmission is 91%, then what is the value of $R$?

এডাল $R$ ৰোধবিশিষ্ট পৰিবাহী তাঁৰেৰে 220 V বিভৱৰ 11 kW শক্তি, এটা কাৰখানালৈ যোগান ধৰা হৈছে। যদি পৰিবহণৰ দক্ষতা 91% হয়, তেন্তে $R$ৰ মান কিমান হ'ব?

[A] $0\cdot1\ \Omega$

[B] $0\cdot2\ \Omega$

[C] $0\cdot4\ \Omega$

[D] $0\cdot8\ \Omega$

**44.** A battery of e.m.f. 12 V and internal resistance $0\cdot5\ \Omega$ is charged by a battery charger which supplies a 132 V d.c. supply using a series resistance of $11\cdot5\ \Omega$. What is the terminal voltage of the battery during charging?

এটা 12 V বিদ্যুৎচালক বল আৰু $0\cdot5\ \Omega$ অন্তৰ্বতী ৰোধৰ বিদ্যুৎকোষক 132 V প্ৰত্যক্ষ প্ৰবাহ আৰু $11\cdot5\ \Omega$ শ্ৰেণীবদ্ধ ৰোধবিশিষ্ট কোষ আহিতকৰণ যন্ত্ৰৰ সহায়েৰে আহিত কৰা হৈছে। আহিতকৰণৰ সময়ত কোষটোৰ প্ৰান্তীয় বিভৱ কিমান হ'ব?

[A] 14 V

[B] 15 V

[C] 16 V

[D] 17 V

**45.** A heating coil of resistance $100\ \Omega$ takes 100 seconds to boil certain amount of water. If a similar heating coil is connected in series with the heating coil, then the time required to boil the water is $t_s$, while $t_p$ time is required to boil the same amount of water if the coils are connected in parallel. What will be $\frac{t_s}{t_p}$?

কোনো নিৰ্দিষ্ট পৰিমাণৰ পানী উতলাবলৈ এডাল $100\ \Omega$ ৰোধবিশিষ্ট তাপীয় কুণ্ডলীক 100 ছেকেণ্ড সময়ৰ প্ৰয়োজন। কুণ্ডলীডালৰ লগত শ্ৰেণীবদ্ধ সজ্জাত আন এডাল একেধৰণৰ তাপীয় কুণ্ডলী সংযোগ কৰিলে একে পৰিমাণৰ পানী উতলাবলৈ লাগে সময় $t_s$ আনহাতে যদিহে কুণ্ডলী দুটা সমান্তৰাল সজ্জাত সংযোগ কৰিলে পানী উতলাবলৈ সময় লাগে $t_p$, $\frac{t_s}{t_p}$ৰ মান কিমান হ'ব?

[A] $\frac{1}{2}$

[B] $\frac{1}{4}$

[C] 2

[D] 4

**46.** The slope of the graph of the frequency of incident light versus the stopping potential for a given metallic surface is

কোনো ধাতুপৃষ্ঠত আপতিত পোহৰৰ কম্পনাংক আৰু stopping potentialৰ মাজৰ লেখৰ ঢাল হ'ব

[A] $h$

[B] $\frac{h}{e}$

[C] $\frac{e}{h}$

[D] $eh$



Scanned with CamScanner

**47.** For the following logic circuit
তলৰ লজিক বৰ্তনীটোৰ বাবে




$Y = 0$ for $A = 1$, $B = 1$, $C = 1$
$Y = 1$ for $A = 0$, $B = 0$, $C = 0$
$Y = 1$ for $A = 1$, $B = 0$, $C = 0$

The logic gate in the question-marked box will be
প্ৰশ্নবোধক চিহ্নবিশিষ্ট বাকচটোত থকা লজিক গেটখন হ'ব

[A] OR　　[B] AND
[C] NOR　　[D] NAND

**48.** Choose the incorrect statement(s) :
অশুদ্ধ উক্তিটো/উক্তিবোৰ বাচি উলিওৱা :

(i) Skywave communication takes place at frequency above approximately 30 MHz.
আকাশী তৰংগ দূৰসংযোগ সাধাৰণতে 30 MHzতকৈ অধিক কম্পনাংক তৰংগৰ দ্বাৰা সম্পন্ন কৰা হয়।

(ii) Amplitude Modulated (AM) Radio communication is mostly done by ground wave propagation.
বিস্তাৰ কলিত (AM) বেতাৰ সংযোগ মুখ্যত: ভূমিগত তৰংগৰ দ্বাৰা সম্পন্ন কৰা হয়।

(iii) F layer of ionosphere is mostly responsible for skywave propagation.
আকাশী তৰংগ অগ্ৰগমনৰ বাবে আয়'ন'স্ফিয়াৰ F তৰপ মুখ্যত: ব্যৱহৃত হয়।

(iv) Bandwidth required for transmission of video signal is generally more than audio signal.
ভিডিঅ' সংকেত প্ৰেৰণৰ বাবে সাধাৰণতে অডিঅ' সংকেততকৈ অধিক পটিবেধৰ প্ৰয়োজন হয়।

[A] (i)　　[B] (i) and (আৰু) (iii)
[C] (ii) and (আৰু) (iii)　　[D] (iii) and (আৰু) (iv)

**49.** A bullet of mass 20 g moving with a speed of $100 \text{ m s}^{-1}$ enters a heavy wooden block and stops after a distance of 50 cm. The average resistive force exerted by the block on the bullet is
$100 \text{ m s}^{-1}$ গতিবেগ থকা, 20 g ভৰৰ বুলেট এটাই ডাঠ কাঠৰ টুকুৰা এটাত প্ৰৱেশ কৰি 50 cm যোৱাৰ পিছত ৰৈ যায়। কাঠৰ টুকুৰাটোৱে কাৰ্যকৰী কৰা গড় প্ৰতিৰোধ বল হ'ব

REDMI NOTE 8
AI QUAD CAMERA

[A] 100 N　　[B] 10000 N
[C] 200 N　　[D] 500 N

**50.** A ball of mass $m$ is thrown upward with a velocity $v$. The air exerts an average resisting force $F$. The velocity with which the ball returns to the thrower is
$m$ ভৰৰ বল এটা $v$ গতিবেগত ওপৰলৈ দলিয়াই দিয়া হ'ল। বায়ুৱে কাৰ্যকৰী কৰা প্ৰতিৰোধ বল $F$. বলটো দলিওৱা জনলৈ ঘূৰি অহাৰ গতিবেগ হ'ব

[A] $v\sqrt{\frac{mg}{mg+F}}$　　[B] $v\sqrt{\frac{F}{mg+F}}$
[C] $v\sqrt{\frac{mg-F}{mg+F}}$　　[D] $v\sqrt{\frac{mg+F}{mg}}$

**51.** Two wooden blocks are moving on a smooth horizontal surface such that the block having mass $m$ remains stationary with respect to block of mass $M$ as shown in the figure below. The magnitude of the applied force $P$ is
ছবিত দেখুওৱা ধৰণে দুডোখৰ কাঠৰ টুকুৰা মিহি অনুভূমিক তলত এনেকৈ গতি কৰিছে যে $m$ ভৰৰ টুকুৰাটো $M$ ভৰৰ টুকুৰাটোৰ সাপেক্ষে স্থিৰ অৱস্থাত আছে। প্ৰয়োগ কৰা বল $P$-ৰ পৰিমাণ হ'ব




[A] $g\tan\beta$　　[B] $mg\cos\beta$
[C] $(M+m)\text{cosec}\,\beta$　　[D] $(M+m)g\tan\beta$

**52.** A circular plate of uniform thickness has a diameter of 56 cm. A circular portion of diameter 42 cm is removed from one edge of the plate as shown in the figure below. The position of centre of mass of the remaining portion is
এখন সুষম বেধবিশিষ্ট ঘূৰণীয়া পাতৰ ব্যাস 56 cm. চিত্ৰত দেখুওৱা ধৰণে পাতখনৰ কাষৰ পৰা 42 cm ব্যাসৰ ঘূৰণীয়া টুকুৰা এটা আঁতৰাই পেলোৱা হ'ল। বাকী টুকুৰাটোৰ ভৰকেন্দ্ৰ হ'ব




[A] 7 cm to the left of the centre of plate
পাতখনৰ কেন্দ্ৰৰ পৰা 7 cm বাঁওফালে

[B] 8 cm to the left of the centre of plate
পাতখনৰ কেন্দ্ৰৰ পৰা 8 cm বাঁওফালে

[C] 9 cm to the left of the centre of plate
পাতখনৰ কেন্দ্ৰৰ পৰা 9 cm বাঁওফালে

[D] 10 cm to the left of the centre of plate
পাতখনৰ কেন্দ্ৰৰ পৰা 10 cm বাঁওফালে



Scanned with CamScanner

53. A solid cylinder of mass $m$ and radius $r$ rolls without slipping down an inclined plane of length $l$ and height $h$. The speed of its centre of mass when the cylinder reaches the bottom is

